জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৭৪/২০২০

# মৰাণ জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিবৰ্গৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

## শীঘ্ৰে কাৰ্যকৰী ৰূপ পাব মৰাণ স্বায়ত্তশাসিত পৰিষদে, অচিৰেই প্ৰকাশ পাব মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী ঃ মুখ্যমন্ত্ৰী

### ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন অতি কম দিনৰ ভিতৰতে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৯ আগষ্ট ঃ** অসম চৰকাৰে অতি কম দিনৰ ভিতৰতে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সংক্ৰান্তত মন্ত্ৰী গোটৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব। মৰাণ জনগোষ্ঠীৰ বাবে ইতিপূৰ্বে ঘোষণা কৰা স্বায়ত্তশাসিত পৰিষদখনকো শীঘ্ৰে কাৰ্যকৰী ৰূপ প্ৰদান কৰা হ'ব তথা অচিৰেই জনগোষ্ঠীটোৰ এখন বুৰঞ্জী প্ৰকাশ পাব। মৰাণ জনগোষ্ঠীৰ কেইবাটাও সংগঠনৰ প্ৰতিনিধি দলে সাক্ষাৎ কৰাৰ সময়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এই কথা সদৰি কৰে।

অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত জনগোষ্ঠীটোৰ প্ৰতিনিধিবৰ্গৰ সৈতে অনুষ্ঠিত বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে মৰাণ জনগোষ্ঠীৰ সমস্যাসমূহ সমাধানৰ বাবে নিষ্ঠাৰে পদক্ষেপ চলাই আহিছে। জনগোষ্ঠীটোৰ দীৰ্ঘদিনীয়া দাবীবোৰ তৎপৰতাৰে ইতিবাচক দৃষ্টিভংগীৰে সমাধানৰ বাবে আগুৱাই নিছে। জনজাতিকৰণৰ সম্পৰ্কত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে এই বিষয়টোত নেৰানেপেৰাকৈ লাগি আছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত অসম চৰকাৰে মন্ত্ৰী গোট গঠন কৰাৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই মন্ত্ৰী গোটে ৰাজ্যখনত বৰ্তমানে থকা জনজাতিসমূহৰ লগতে আন জনগোষ্ঠী সমূহৰ লগত আলোচনাত মিলিত হৈছে। বৰ্তমানে থকা জনজাতিসমূহৰ স্বাৰ্থ আৰু অধিকাৰ বিঘ্নিত নোহোৱাকৈ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে অসম চৰকাৰে লোৱা পদক্ষেপৰ অংশ হিচাপে মন্ত্ৰী গোটে শীঘ্ৰে প্ৰতিবেদন দাখিল কৰিব আৰু ৰাজ্য চৰকাৰে সেই প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব।

শৈক্ষিক আৰু আৰ্থ-সামাজিক দিশত মৰাণ জনগোষ্ঠী বহু পিছপৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জনগোষ্ঠীটোক সকলো দিশতে আগুৱাই নিবলৈ এক সাংবিধানিক ব্যৱস্থাৰ প্ৰয়োজন আছিল। এই কথা গভীৰভাৱে উপলব্ধি কৰি অসম চৰকাৰে জনগোষ্ঠীটোৰ বাবে স্বায়ত্তশাসিত পৰিষদ গঠনৰ ব্যৱস্থা হাতত লৈছে আৰু কম দিনৰ ভিতৰতে এই পদক্ষেপে কাৰ্যকৰী ৰূপ লাভ কৰিব।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

ৰাজ্যৰ সৰু-বৰ সকলো জাতি-জনগোষ্ঠীক নিষ্ঠাৰে আগুৱাই নিবলৈ অসম চৰকাৰে কাম কৰিছে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মৰাণ জনগোষ্ঠীৰ বুৰঞ্জী প্ৰণয়নৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে যি পদক্ষেপ হাতত লৈছে তাৰ ফলস্বৰূপে প্ৰকাশ পাবলগীয়া বুৰঞ্জীখনে জাতিটোৰ উদ্যম, সাহস আৰু নিৰ্ভীকতা জনমানসত ফুটাই তোলাৰ উপৰি এই বুৰঞ্জীখন ৰাজ্যৰ সাহিত্য ক্ষেত্ৰখনত উল্লেখযোগ্য সংযোজন হ'ব। মুখ্যমন্ত্ৰী সোণোৱালে জনগোষ্ঠীটোৰ সৰ্বাংগীণ বিকাশৰ বাবে অসম চৰকাৰে ১২৫ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰিবলগীয়া প্ৰকল্পৰ উপৰি আন বিভিন্ন সমস্যাৰ সমাধানৰ দিশত যথোচিত পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি কয়।

মৰাণ জনগোষ্ঠীৰ প্ৰতিনিধিসকলে বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালক বিভিন্ন দাবী সম্বলিত এখন স্মাৰক পত্ৰও প্ৰদান কৰে। প্ৰতিনিধিসকলে জনগোষ্ঠীটোৰ জনজাতিকৰণৰ দিশত অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয় তথা মন্ত্ৰী গোটৰ প্ৰতিবেদন কম সময়ৰ ভিতৰতে দাখিল কৰাৰ বাবে অনুৰোধ জনায়। স্বায়ত্তশাসিত পৰিষদ গঠনৰ দিশতো শীঘ্ৰে কাৰ্যকৰী ব্যৱস্থা ল'বলৈ প্ৰতিনিধিসকলে মুখ্যমন্ত্ৰীক অনুৰোধ জনোৱাৰ উপৰি জনগোষ্ঠীটোৰ আৰ্থ-সামাজিক আৰু শৈক্ষিক বিকাশ সংক্ৰান্তীয় বিভিন্ন বিষয় উত্থাপন কৰে।

এই বৈঠকতে তিনিচুকীয়াৰ বাঘজান মিলনজ্যোতি সংঘৰ এক প্ৰতিনিধি দলে এক স্মাৰক পত্ৰ প্ৰদান কৰি বাঘজান গেছ কূপৰ অগ্নিসংযোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ ক্ষতিপূৰণকে ধৰি অগ্নি নিৰ্বাপনৰ ক্ষেত্ৰত দ্ৰুততাৰে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালক অনুৰোধ জনায়। প্ৰতিনিধি দলটোৱে জনোৱা অনুৰোধৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰী সোণোৱালে ক্ষতিপূৰণকে ধৰি গেছ কূপৰ অগ্নি নিৰ্বাপনৰ বিষয়ত অইল কৰ্তৃপক্ষৰ সৈতে বাৰ্তালাপ কৰি শীঘ্ৰে বিষয় দুটাৰ মীমাংসা কৰা হ'ব বুলিও কয়।

এই বৈঠকত সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, শদিয়া সমষ্টিৰ বিধায়ক বলিন চেতিয়া, অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, আৰক্ষী মহাপৰিদৰ্শক হীৰেন নাথ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথু, ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি অৰুণজ্যোতি মৰাণ প্ৰমুখ্যে জনগোষ্ঠীটোৰ বিভিন্ন সংগঠনৰ নেতৃবৃন্দ উপস্থিত থাকে।

**বীঃগঃ**

**২৯/০৮/২০২০**